# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 18-DEC-2025
**Time :** 1715 HRS

# *Assamese Evening Bulletin*

১। স্বচ্ছ আৰু মেধা ভিত্তিক নিযুক্তি প্ৰক্ৰিয়াৰ অংশ হিচাপে আজি ৪৩ গৰাকী নগৰীয়া কাৰিকৰী বিষয়াক নিযুক্তি পত্ৰ প্ৰদান।
২। অহা ২০ ডিচেম্বৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অসম আগমন সন্দৰ্ভত বাজপেয়ী ভৱনত প্ৰস্তুতি সভা সম্পন্ন।
৩। বিদেশী ন্যায়াধীকৰণে বিদেশী বুলি ঘোষণা কৰা ১৫ জন লোকক ২৪ ঘণ্টাৰ ভিতৰত ভাৰত ত্যাগ কৰিবলৈ নগাঁও জিলা প্ৰশাসনৰ জাননী জাৰি। **আৰু**
৪। গুৱাহাটীৰ সৰুসজাই ক্ৰীড়া প্ৰকল্পত আজি **আয়োকন ৰাকাথন** শীৰ্ষক স্বাস্থ্য সজাগতা পদযাত্ৰা।

ooooo

স্বচ্ছ আৰু মেধা ভিত্তিক নিযুক্তি প্ৰক্ৰিয়াৰ অংশ হিচাপে আজি ৪৩ গৰাকী নগৰীয়া কাৰিকৰী বিষয়াক নিযুক্তি পত্ৰ প্ৰদান কৰা হয়। ইয়াৰ ভিতৰত ১৬ গৰাকী মেকানিকেল অভিযন্তা, ১১ গৰাকী বৈদ্যুতিক অভিযন্তা, ৮ গৰাকী জনস্বাস্থ্য অভিযন্তা, ৬ গৰাকী পৰিৱেশিক অভিযন্তা আৰু দুগৰাকী ব্যৱহাৰিক অভিযন্তা আছে। দিছপুৰৰ লোকসেৱা ভৱনৰ চৌহদত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই নিযুক্তি পত্ৰসমূহ প্ৰদান কৰে। অনুষ্ঠানত গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱা উপস্থিত থাকে।

ooooo

অহা ২০ ডিচেম্বৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অসম আগমন সন্দৰ্ভত আজি বশিষ্ঠৰ অটল বিহাৰী বাজপেয়ী ভৱনত এখন প্ৰস্তুতি সভা অনুষ্ঠিত হয়। সভাত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, দলৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া, ৰাজ্যিক সাংগঠনিক সাধাৰণ সম্পাদক ৰবীন্দ্ৰ ৰাজুকে ধৰি অন্যান্য মন্ত্ৰী, বিধায়ক তথা দলীয় কৰ্মকৰ্তাসকল উপস্থিত থাকে। সভাত প্ৰধানমন্ত্ৰী মোদীৰ দুদিনীয়া ভ্ৰমণসূচীৰ সকলো কাৰ্যসূচী সাফল্যমণ্ডিত কৰাৰ উদ্দেশ্যে সকলো দিশ সামৰি আলোচনা কৰা হয়।

উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পৰহিলৈ বৰঝাৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ নৱনিৰ্মিত টাৰ্মিনেল উদ্বোধন কৰিব। এই টাৰ্মিনেলৰ উদ্বোধনে অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্য কেইখনৰ আন্ত-গাঁথনিৰ উপৰি যোগাযোগ ব্যৱস্থা, উদ্যোগ-বাণিজ্য আৰু পৰ্যটনকে ধৰি সৰ্বাংগীন উন্নয়ন ত্বৰান্বিত কৰিব বুলি আশা কৰা হৈছে। এই অত্যাধুনিক বিমান বন্দৰ টাৰ্মিনেলে বছৰি ১ কোটি ৩১ লাখ যাত্ৰীক সেৱা আগবঢ়াব।

প্ৰধানমন্ত্ৰী মোদীয়ে ২১ ডিচেম্বৰত অসম আন্দোলনৰ অমৰ ছহিদসকলৰ স্মৃতিত গুৱাহাটীৰ পশ্চিম বৰাগাঁৱত নিৰ্মাণ কৰা ছহিদ স্মাৰক ক্ষেত্ৰ পৰিদৰ্শন কৰিব। তেওঁ লগতে ৮৬০ গৰাকী বীৰ ছহিদক প্ৰণিপাত জনাই ছহিদ বেদীত পুষ্পাঞ্জলি অৰ্পণ কৰিব। ইয়াৰ পৰিপ্ৰেক্ষিতত আজিৰে পৰা ২১ ডিচেম্বৰলৈ দৰ্শনাৰ্থীৰ বাবে ছহিদ স্মাৰক বন্ধ থাকিব বুলি গুৱাহাটী মেট্ৰ'পলিটান উন্নয়ন প্ৰাধিকৰণে এখন জাননীযোগে প্ৰকাশ কৰিছে।

শ্ৰীমোদী সেইদিনাই নামৰূপলৈ যাব আৰু তেওঁ নামৰূপ সাৰ কাৰখানাত নতুন ব্ৰাউনফিল্ড এমনিয়া ইউৰিয়া প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। তেওঁ লগতে এখন জনসভাতো অংশ ল'ব। নামৰূপত ব্ৰহ্মপুত্ৰ ভেলী ফাৰ্টিলাইজাৰ

কৰ্পোৰেচেন লিমিটেডৰ বৰ্তমানৰ চৌহদত ১০ হাজাৰ কোটিৰো অধিক টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া চতুৰ্থটো সাৰ প্ৰকল্পই ৰাজ্যখনৰ  অৰ্থনীতি শক্তিশালী কৰাত সহায় কৰিব বুলি আশা কৰা হৈছে।

০০০০০

বিদেশী ন্যায়াধীকৰণে নগাঁও জিলাৰ ১৫ জন লোকক বিদেশী বুলি ঘোষণা কৰাৰ পৰিপ্ৰেক্ষিতত জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই এটা নিৰ্দেশযোগে লোককেইজনক ২৪ ঘণ্টাৰ ভিতৰত ভাৰত ত্যাগ কৰিবলৈ জাননী জাৰি কৰিছে। এই নিৰ্দেশ অমান্য কৰিলে তেওঁলোকৰ বিৰুদ্ধে বিহিত ব্যৱস্থা গ্ৰহণ কৰিব বুলি জাননীখনত উল্লেখ কৰা হৈছে। উল্লেখযোগ্য যে নগাঁও জিলাৰ বিভিন্ন অঞ্চলৰ ঠিকনা দিয়া এই লোককেইজনৰ ৰাজ্যৰ অন্যান্য ঠাইতো ঠিকনা আছে।

০০০০০

গুৱাহাটীৰ সৰুসজাই ক্ৰীড়া প্ৰকল্পত আজি **আয়োকন ৱাকাথন** শীৰ্ষক স্বাস্থ্য সজাগতা পদযাত্ৰা অনুষ্ঠিত হয়। গুৱাহাটীৰ কেইবাগৰাকী চিকিৎসকে অংশ লোৱা এই পদযাত্ৰাত বলীউদৰ অভিনেতা তথা শাৰীৰিক সুস্থতাৰ হকে সজাগতাৰ সৃষ্টি কৰি অহা মিলিন্দ সুমনে নেতৃত্ব দিয়ে। কাৰ্যসূচীত দিয়া ভাষণত অভিনেতাগৰাকীয়ে ফিটনেছ বা শাৰীৰিক সুস্থতাক জীৱনৰ অবিচ্ছেদ্য অংশ কৰি ল'বলৈ আহ্বান জনায়। অনুষ্ঠানত অংশ লৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অস্থি পৰিচৰ্যা বিশেষকৈ বয়োজ্যেষ্ঠসকলৰ স্বাস্থ্য সেৱাৰ মূল উপাদান বুলি প্ৰকাশ কৰে। ভাৰতীয় অস্থি চিকিৎসা সংস্থাৰ ৭০ সংখ্যক এই পূৰ্ণাংগ অধিৱেশনত দিয়া ভাষণত মুখ্যমন্ত্ৰীগৰাকীয়ে আজি এইদৰে মন্তব্য কৰে। তেওঁ কয়, যে ৰাজ্যৰ প্ৰতিখন জিলাত চৰকাৰে চিকিৎসা মহাবিদ্যালয় স্থাপনৰ পৰিকল্পনা কৰিছে আৰু ইতিমধ্যে ১৫ খন চিকিৎসা মহাবিদ্যালয় কাৰ্যক্ষম কৰি তোলা হৈছে। ২০৩০ চনৰ ভিতৰত ৰাজ্যত ২৫ খন চিকিৎসা মহাবিদ্যালয় স্থাপন কৰা হব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। তেওঁ লগতে ৰাজ্য চৰকাৰে কৰ্কট ৰোগৰ চিকিৎসাত বিশেষ গুৰুত্ব আৰোপ কৰা বুলি প্ৰকাশ কৰে।

**-বাইট-**

০০০০০

কামৰূপ জিলাৰ আমিনগাঁৱত আজি **যক্ষ্মা মুক্ত পঞ্চায়ত** শীৰ্ষক প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত হয়। কামৰূ জিলা যক্ষ্মা নিৰাময় বিভাগৰ উদ্যোগত আয়োজন কৰা এই প্ৰশিক্ষণ শিবিৰত বিশ্ব স্বাস্থ্য সংস্থাৰ কেইবাগৰাকী প্ৰশিক্ষকে অংশগ্ৰহণ কৰে। জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই সভাপতিত্ব কৰা এই শিবিৰত জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া আৰু জিলা যুটীয়া স্বাস্থ্য সঞ্চালক উপস্থিত থাকে। জিলাখনৰ ১৩৯টা পঞ্চায়তৰ ভিতৰত ২৮টা পঞ্চায়তক **যক্ষ্মা মুক্ত পঞ্চায়ত** হিচাপে ঘোষণা কৰা হৈছে বুলি জিলা আয়ুক্তগৰাকীয়ে প্ৰকাশ কৰে।

**বাইট (দেৱ কুমাৰ মিশ)**

০০০০০

মৰিগাঁও জিলাত কাইলৈৰ পৰা সাতদিনীয়াকৈ ই ভি এম আৰু ভিভিপেটৰ প্ৰথম পৰ্যায়ৰ পৰীক্ষণ অনুষ্ঠিত হ'ব। মৰিগাঁও জিলা কাৰ্যালয় চৌহদৰ পন্যাগাৰত মৰিগাঁও জিলা নিৰ্বাচনী বিষয়াৰ অধীনত এই প্ৰথম পৰ্যায়ৰ পৰীক্ষণ অনুষ্ঠিত হ'ব। ইলেকট্ৰনিকছ কৰ্প'ৰেচন অৱ ইণ্ডিয়া লিমিটেডৰ ১২ জন অভিযন্তাই এই সমগ্ৰ পৰীক্ষণ প্ৰক্ৰিয়া তদাৰক কৰিব। অতিৰিক্ত জিলা আয়ুক্ত অনুসূয়া শৰ্মাক প্ৰথম পৰ্যায়ৰ পৰীক্ষণৰ পৰ্যবেক্ষক হিচাপে নিযুক্তি দিয়া হৈছে। পৰীক্ষণ প্ৰক্ৰিয়াত স্বচ্ছতা নিশ্চিত কৰাৰ বাবে ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক স্বীকৃতিপ্ৰাপ্ত ৰাজনৈতিক দলৰ প্ৰতিনিধিৰ উপস্থিতিত প্ৰতিদিনে পুৱা ৯ বজাৰ সন্ধিয়া ৭ বজালৈ পৰীক্ষণ প্ৰক্ৰিয়া অনুষ্ঠিত হ'ব।

০০০০০

২০১৮ চনৰ ১৮ ডিচেম্বৰত মধুপুৰ সত্ৰত প্ৰতিষ্ঠা লাভ কৰা ভাৰতীয় নৃকূল গ্ৰন্থাগাৰ সংস্থাৰ অষ্টম প্ৰতিষ্ঠা দিৱস আজি ধুবুৰী জিলাৰ বিলাসীপাৰা সমজিলাৰ বাৰ্ষি গাঁৱৰ নামঘৰত পালন কৰা হয়। সাঁচীপাত, তুলাপাত, তালপাত

আদি লিখিত পুথি নাইবা তথ্য আদি সুসংৰক্ষণৰ লক্ষ্যৰে নৃকূল গ্ৰন্থাগাৰ সংস্থাই নামঘৰ, সত্ৰ, শিক্ষানুষ্ঠান আদিত এনে সম্পদৰাজিৰ সংৰক্ষণৰ বাবে ব্যৱস্থা গ্ৰহণ কৰি আহিছে। সংস্থাৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে আজি নামঘৰ প্ৰাংগনত সাঁচী গছৰ পুলি ৰোপণ কৰা হয়।

ooooo

গুৱাহাটী মহানগৰীৰ খাৰঘুলিৰ জয়পুৰত ব্ৰহ্মপুত্ৰত যোৱা ১০ ডিচেম্বৰত সন্ধানহীন হোৱা ৫ জন লোকৰ ভিতৰত চতুৰ্থজন লোকৰ মৃতদেহ উদ্ধাৰ কৰা হৈছে। মৃতদেহটো উজান বজাৰৰ অভিজিত চৌধুৰীৰ বুলি চিনাক্ত কৰা হৈছে। এজন লোকৰ এতিয়ালৈকে সন্ধান লাভ কৰিব পৰা হোৱা নাই। উল্লেখযোগ্য যে জয়পুৰত থকা ভক্তি কুটিৰ নামৰ এটা আধ্যাত্মিক প্ৰতিষ্ঠানলৈ যোৱা ৯ জন লোক ব্ৰহ্মপুত্ৰলৈ নামি যোৱাৰ পাছত ইয়াৰে ৪ জনে কথমপি প্ৰাণ ৰক্ষা কৰি উঠি আহে যদিও ৫ জন লোক ব্ৰহ্মপুত্ৰত উটি যায়। ইয়াৰ পাছৰে পৰা এছ ডি আৰ এফ আৰু এন ডি আৰ এফে অভিযান চলাই চাৰিজনৰ মৃতদেহ উদ্ধাৰ কৰে। উদ্ধাৰকাৰী দলে কালি এজন, শনিবাৰে এজন আৰু সোমবাৰে আন এজন লোকৰ মৃতদহে উদ্ধাৰ কৰিছিল।

ooooo

বিশিষ্ট ভাস্কৰ্য্য শিল্পী ৰাম সুতাৰৰ যোৱা নিশা উত্তৰ প্ৰদেশৰ নয়ডাত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ১০০ বছৰ। পদ্মভূষণ সন্মানেৰে বিভূষিত ভাস্কৰ্য্য শিল্পীগৰাকী গুজৰাটত স্থাপন কৰা বিশ্বৰ সবাটোকৈ ওখ প্ৰতিমূৰ্তি একতাৰ মূৰ্তিৰ আৰ্হি প্ৰস্তুত কৰাৰ বাবে জনাজাত। তেওঁ লাচিত বৰফুকনৰ বিশাল প্ৰতিমূৰ্তি আৰু অলপতে উন্মোচন কৰিবলগীয়া লোকপ্ৰীয় গোপীনাথ বৰদলৈৰ প্ৰতিমূৰ্তিও নিৰ্মাণ কৰিছিল। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ৰাম সুতাৰৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে। ডঃ শৰ্মাই সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত কয় যে ভিন ভিন যুগৰ অসমৰ যুগনায়কসকলৰ প্ৰতিমূৰ্তিত প্ৰাণ সঞ্চাৰ কৰিবলৈ ব্যক্তিগত আন্তৰিক প্ৰচেষ্টাৰে জড়িত হোৱাটোৱে শিল্পীগৰাকীৰ কৰ্মৰ পৰিসৰ আৰু ব্যতিক্ৰমী শিল্পী সত্তাৰ পৰিচয় বহন কৰিছিল। ৰাম সুতাৰৰ বিয়োগত দেশে এগৰাকী মহান শিল্পীক হেৰুওৱা বুলিও তেওঁ মন্তব্য কৰে।

ooooo

অসম আৰু অসমীয়াৰ স্বাৰ্থৰ হকে আজীৱন উদাত্ত কণ্ঠেৰে মাত মাতি জাতীয় চেতনাৰ সঞ্চাৰ কৰা অসম কেশৰী অম্বিকাগিৰি ৰায়চৌধুৰীৰ জন্মদিন উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত শ্ৰদ্ধা নিবেদন কৰা হৈছে। স্বাধীনতা সংগ্ৰামী, কবি, নাট্যকাৰ, গায়ক, গদ্য লেখক, সংবাদসেৱী ৰায়চৌধুৰীক তেজোদীপ্ত ধ্যান-ধাৰণা আৰু চেতনাৰ সঞ্চাৰকাৰী কৰ্ম আৰু সৃষ্টিৰাজিৰ বাবে **অসম কেশৰী** উপাধিৰে বিভূষিত কৰা হৈছিল।

ooooo

সমাপ্ত